জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

সংখ্যা, ২১ ভাদ, মঙ্গলবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 35। DIBRUGARH, TUESDAY, SEPTEMBER 8, 2026। পৃষ্ঠা ১২+৮ (Pages

## কানৈ মহাবিদ্যালয়ত সুধাকণ্ঠলৈ বছৰজোৰা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ সামৰণি

দৈনিক অসমৰ প্ৰতিনিধি

**চাবুৱা, ৭ ছেপ্টেম্বৰ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজোৰা শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰ সামৰণী অনুষ্ঠান ৫ ছেপ্টেম্বৰত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট সমাজকৰ্মী তথা মানৱদৰদী ব্যক্তি জ্যোতিপ্ৰসাদ কানৈয়ে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকালৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থকা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা বিশিষ্ট আবৃত্তিকাৰ ৰিজুমণি শইকীয়া তামুলীয়ে পৰিষদৰ বিভিন্ন কাৰ্যসূচীৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰে। ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি মৃণালী ভূঞা বৰদলৈয়েও সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বক্তব্য আগবঢ়ায়। আনগৰাকী উপ-সভাপতি, বিশিষ্ট আবৃত্তিকাৰ তথা অনাতাঁৰ কেন্দ্ৰৰ ঘোষক হাছান ইকবাল আহমদে সুধাকণ্ঠৰ সৈতে থকা ব্যক্তিগত সান্নিধ্যৰ স্মৃতি সোঁৱৰণ কৰে। অনুষ্ঠানত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৰাজ্যিকভিত্তিক একক কবিতা আবৃত্তি প্ৰতিযোগিতা 'আবৃত্তি মহাৰণ'ত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা ডিব্ৰুগড় জিলাৰ চাৰিগৰাকী প্ৰতিযোগী— চাবুৱাৰ স্পৃহা হাতীবৰুৱা, দুলীয়াজানৰ দেৱদৰ্শিনী দত্ত, অয়না সুমন কলিতা আৰু প্ৰবাহিনী গগৈক আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্দ্ধিত প্ৰতিযোগীসকলে প্ৰতিযোগিতাত পৰিৱেশন কৰা কবিতাসমূহ আবৃত্তি কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ডেৰ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী ৰাজমী মৰাণে ডঃ ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মুগ্ধ কৰে। ছাত্ৰী সুৰময়ী চেতিয়াৰ গীত, বিপ্লৱ বুঢ়াগোহাঁইৰ কবিতা পাঠ আৰু শিৱৰাম বসুমতাৰীৰ বাঁহী বাদনে অনুষ্ঠানটোক অধিক জীপাল কৰি তোলে। সভাপতিৰ ভাষণত ডঃ শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ এটি শাখা গঠনৰ লগতে অতি সোনকালে আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ পৰিকল্পনাৰ কথা অৱগত কৰে। তেওঁ ভাষণত কয় যে ইতিবাচক চিন্তাৰে ভাষা, সাহিত্য আৰু সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিলেহে জাতি আৰু সমাজ সুৰক্ষিত হৈ থাকিব। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক তথা কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে।

চলে। বিয়লি আৰু সন্ধিয়াৰ বেলাত বিভিন্ন ঠাইৰ পৰা দুচকীয়া, চাৰিচকীয়া বাহনত অহা বহু চিনাকি-অচিনাকি যুৱক-যুৱতীয়ে এই

হাতত আছে। আৰক্ষীয়ে ইচ্ছা কৰিলে সম্পৰ্কত এক উচ্চ পৰ্যায়ৰ তদন্তৰ অঞ্চলটোত ড্ৰাগ্‌ছ সৰবৰাহৰ লগত জ

## সমগ্ৰ শিক্ষা শিৱসাগৰ-ইউনিচে

## জলবায়ু সহনশীল অনাময় স্বা

দৈনিক অসমৰ প্ৰতিনিধি

**জয়সাগৰ/শিৱসাগৰ, ৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ চৰকাৰী বিদ্যালয়সমূহৰ পৰিৱেশ তথা অনাময় ব্যৱস্থাৰ গুণগত মান উন্নত কৰাৰ উদ্দেশ্যে সমগ্ৰ শিক্ষা শিৱসাগৰৰ উদ্যোগত আৰু ইউনিচেফ, অসমৰ সহযোগত বিদ্যালয়সমূহত জলবায়ু সহনশীল পানী, অনাময় আৰু স্বাস্থ্যবিধি সম্পৰ্কীয় এক বিশেষ অনলাইন প্ৰশিক্ষণ কাৰ্যসূচী অলপতে অনুষ্ঠিত হৈ যায়। জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) মীনাক্ষী পাৰ্মেৰ সক্ৰিয় নিৰ্দেশনাত এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচীটো গ্ৰহণ কৰা হয়। সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰে জিলা আঁচনি বিষয়া অসীম বৰুৱাই। জিলাখনৰ প্ৰতিখন চৰকাৰী বিদ্যালয়ৰ মনোনীত ন'ডেল শিক্ষকসকলে এই প্ৰশিক্ষণত অংশগ্ৰহণ

কৰে। প্ৰশিক্ষণ
অংশগ্ৰহণ কৰি শি
অনাময় ব্যৱস্থা অ
দিশ সন্দৰ্ভত বিস্তৃ
অংশগ্ৰহণ কৰি
পৰামৰ্শদাতা সুব্ৰ
বৃদ্ধি আৰু জলবায়ু
ব্যৱস্থাক কেনেকৈ
শিক্ষকসকলক বি
এই ব্যৱস্থাসমূহৰ
দিশটো অধিক শ

## জামুগুৰিৰ বৰজান মাটিখোলা

দৈনিক অসমৰ প্ৰতিনিধি

**আঠখেলীয়া, ৭ ছেপ্টেম্বৰ ঃ** ৫ ছেপ্টেম্বৰত দেশৰ ৬৫ সংখ্যক শিক্ষক দিৱস। সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট পূব শিক্ষাখণ্ডৰ অন্তৰ্গত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়তো উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। সেই উপলক্ষে বিদ্যালয়খনৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়খন আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা অৱসৰগ্ৰহণ কৰা ৩৬গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক বিপুলভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সেই উপলক্ষে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি পুতুল দত্তৰ সভাপতিত্বত অনুষ্ঠিত আদৰণী ভাষণ প্ৰদান কৰে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই। সাংবাদিক পাৰ্থ প্ৰতিম শইকীয়াই আঁত ধৰা সভাত বিদ্যালয়ৰ অধ্যক্ষ সৰিতা গগৈ, জ্যেষ্ঠ সহকাৰী শিক্ষক ৰজত কাকতি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নীপু হাজৰিকা, উপ-সভাপতি খগেন বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি বিনোদ দত্ত, গাঁওপ্ৰধান অপূৰ্ব দত্ত, কবি ৰিতুৰাস্তৱ হাজৰিকা, সাংবাদিক জয়ন্ত হাজৰিকাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অৱসৰপ্ৰাপ্ত শিক্ষক ভৱেন শইকীয়া, প্ৰবীণ দত্ত, সুৰেন বৰা, জগন্নাথ বৰা, ক্ষিৰোদ দত্ত, পাৰুল গগৈ, শৰৎ গগৈ, অনিল ফুকনকে ধৰি